জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৬/২০২১

**শুভাৰম্ভ হ'ল ৰাজ্যখনৰ ১ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ প্ৰক্ৰিয়া**

# শিক্ষা বিভাগত ৭৬৭ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

# সমাজ পৰিৱৰ্তনৰ আদিপাঠ শিক্ষা বিভাগতেই হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ আগষ্ট ঃ** ৰাজ্যখনৰ ১ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিক্ষা বিভাগৰ বিভিন্ন সঞ্চালকালয়ৰ অধীনত ৭৬৭ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তিপত্ৰ প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ ১০০ দিন পূৰ্তি উদ্‌যাপনৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানটোত নিয়মীয়া আৰু অনুকম্পামূলক নিযুক্তিপত্ৰ লাভ কৰা সকলৰ ভিতৰৰ ৬১৬ গৰাকীয়ে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত, ৩২ গৰাকীয়ে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত, ১১৩ গৰাকীয়ে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত আৰু ৬ গৰাকীয়ে ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধীনত নিযুক্তি লাভ কৰিছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ যুৱক-যুৱতীসকলে সময়ৰ কষতি শিলত উত্তীৰ্ণ হৈ নিজৰ আশা-আকাংক্ষাসমূহ যাতে পূৰণ কৰিব পাৰে সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা চলাই আছে। তেওঁ কয় যে দায়িত্ব গ্ৰহণৰ এবছৰৰ ভিতৰতে ১ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব বুলি ৰাজ্য চৰকাৰখনে প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এই প্ৰতিশ্ৰুতি পূৰণৰ পদক্ষেপ হিচাপে আজি ৭৬৭ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। শিক্ষা বিভাগত কেইবাহাজাৰ পদত নিযুক্তিৰ বাবে শীঘ্ৰেই বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি সদৰি কৰি তেওঁ কয় যে প্ৰাথমিক শিক্ষা বিভাগত শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ অৰ্থেও টেট অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়া আগন্তুক বৰ্ষৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনত নতুন শিক্ষা নীতি ৰূপায়ণৰ দিশতো অগ্ৰসৰ হৈছে আৰু এই প্ৰক্ৰিয়া ২০২২ চনৰ ১ এপ্ৰিলৰ পৰা আৰম্ভ কৰা হ'ব। নতুন শিক্ষা নীতিৰ আধাৰত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে চাৰিটা শ্ৰেণী সংযুক্ত কৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল গঠন কৰা হ'ব। ৰাজ্য চৰকাৰ তথা শিক্ষা বিভাগৰ বাবে এয়া এক ডাঙৰ প্ৰত্যাহ্বানৰ কাম হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ বাবে এবছৰৰ ভিতৰতে শিক্ষানুষ্ঠানসমূহত আন্তঃগাঁথনিসমূহ গঢ়ি তুলিব লাগিব। এই ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলসমূহত এক বিশেষ পদ্ধতিৰে পাঠদানৰ পৰিকল্পনা লোৱা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই পৰিকল্পনাৰ আধাৰত বিজ্ঞান, গণিত, ইংৰাজী আদি বিষয়সমূহ ইংৰাজীতে পাঠদান কৰা হ'ব আৰু অৱশিষ্ট বিষয়সমূহ মাতৃভাষাত পাঠদান কৰা হ'ব। প্ৰতিবছৰতে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ একো একোটা নতুন দিশ ৰূপায়ণ কৰি আগন্তুক ৫ বছৰত শিক্ষা বিভাগৰ এক আমূল ৰূপান্তৰ সাধন কৰা হ'ব বুলিও তেওঁ কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতবৰ্ষই স্বাধীনতাৰ ৭৫ বছৰ বৰ্ষত ভৰি দিছে। সম্প্ৰতি দেশব্যাপি স্বাধীনতাৰ অমৃত মহোৎসৱ উদ্‌যাপন কৰি থকা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে পৰৱৰ্তী ১০০ বছৰ হ'ব দেশৰ বাবে অমৃতকাল। ড° শৰ্মাই মন্তব্য কৰে যে আমি যদি সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত জাতীয় চেতনা গঢ়ি তুলিব পাৰো আৰু নতুনকৈ যদি আমি নিজকে নিৰ্মাণ কৰিব পাৰো তেতিয়াহ'লে আমি আমাৰ দেশখনক বিশ্বগুৰুৰ আসনত অধিষ্ঠিত কৰাব পাৰিম। তেওঁ কয় যে পৰিৱৰ্তনৰ আদিপাঠ শিক্ষা বিভাগতেই হ'ব লাগিব। আমাৰ চিন্তাৰ কঠীয়াতলী হৈছে শিক্ষানুষ্ঠানসমূহ। পাঁচ হাজাৰ বছৰ পুৰণি ভাৰতীয় সভ্যতা সগৌৰৱে বৰ্তি থকাৰ কাৰণ হৈছে তক্ষশিলা, নালন্দা আদিৰ দৰে বিশ্ববিদ্যালয়সমূহে সেই সময়তে সৃষ্টি কৰা নৱজাগৰণ। নিয়মানুৱৰ্তিতা আৰু শৃংখলাৰে কাম কৰিহে সমাজলৈ পৰিৱৰ্তন আনিব পাৰি বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই নৱনিযুক্ত প্ৰাৰ্থীসকলক নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনাই কয় যে নিষ্ঠাপূৰ্ণ সেৱাৰ যথেষ্ট মূল্য আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিগত তিনি মাহত ৰাজ্য চৰকাৰখনে ৰাইজৰ সেৱাৰ বাবে সম্ভৱপৰ সকলো প্ৰচেষ্টা হাতত লৈছে। জনসাধাৰণৰ আশীৰ্বাদৰ বলতেই চৰকাৰখনে আগন্তুক সময়তো আগুৱাই গৈ থাকিব বুলিও তেওঁ ভাষণ প্ৰসংগত আশা প্ৰকাশ কৰে।

শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নিযুক্তিপত্ৰ লাভ কৰা প্ৰাৰ্থীসকললৈ অভিনন্দন জ্ঞাপন কৰে।

অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্ত, শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়া আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২০/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in